**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 05-OCT-2025
**Time :** 0900 Hrs

## *Assamese Morning Bulletin*
## *Headlines*
--------------------

১। বিপিএফৰ মুৰব্বী হাগ্ৰামা মহিলাৰীয়ে আজি চতুৰ্থবাৰৰ বাবে বিটিআৰৰ মুখ্য কাৰ্যবাহী সদস্যৰূপে শপতগ্ৰহণ।

২। বিপিএফক এন ডি এৰ অংশীদাৰী দল হিচাপে অন্তৰ্ভুক্ত কৰাৰ সন্দৰ্ভত পৰৱৰ্তী সময়ত সিদ্ধান্ত লোৱা হ'ব বুলি মুখ্যমন্ত্ৰীৰ মন্তব্য।

৩। কেন্দ্ৰীয় ফৰেনচিক পৰীক্ষাগাৰৰ ১০ অক্টোবৰত জুবিন গাৰ্গৰ ভিচেৰাৰ প্ৰতিবেদনৰ পাছতে শিল্পীগৰাকীৰ মৃত্যুৰ প্ৰকৃত তথ্য উন্মোচন হ'ব বুলি মুখ্যমন্ত্ৰীৰ প্ৰকাশ।

৪। অৰুণোদয় আঁচনিৰ তৃতীয় পৰ্যায় ৰূপায়ণ সন্দৰ্ভত মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাৰ বিটিআৰৰ বাহিৰে ৰাজ্যৰ সকলো জিলাৰ আয়ুক্তৰ সৈতে আলোচনা। **আৰু**

৫। আই চি চি মহিলা এদিনীয়া ক্ৰিকেট বিশ্বকাপত কলম্বোত হ'বলগীয়া নিজৰ দ্বিতীয়খন খেলত আজি ভাৰত পাকিস্তানৰ বিৰুদ্ধে অৱতীৰ্ণ।

০০০০০০

বিপিএফৰ মুৰব্বী হাগ্ৰামা মহিলাৰীয়ে আজি কোকৰাঝাৰৰ বিটিচি সচিবালয় খেলপথাৰত আয়োজিত অনুষ্ঠানত চতুৰ্থবাৰৰ বাবে বিটিআৰৰ মুখ্য কাৰ্যবাহী সদস্যৰূপে শপতগ্ৰহণ কৰিব। এই অনুষ্ঠানত ৰাজ্যপাল লক্ষ্মণ প্ৰসাদ আচাৰ্যৰ লগতে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা আৰু কেইবাগৰাকী মন্ত্ৰী উপস্থিত থকাৰ কথা। মুখ্য সচিব ড° ৰবি কোটাই বিটিচিৰ কাৰ্যবাহী পৰিষদৰ নৱনিৰ্বাচিত সদস্যসকলক শপতবাক্য পাঠ কৰোৱাব। দিনৰ ১১ বজাৰ পৰা এই শপতগ্ৰহণ অনুষ্ঠান অনুষ্ঠিত হ'ব। শ্ৰীমহিলাৰীৰ শপতগ্ৰহণ অনুষ্ঠানৰ প্ৰথম পৰ্যায়ত আজি ১০ গৰাকী পাৰিষদে বিটিচিৰ কাৰ্যবাহী সদস্য হিচাপে শপত ল'ব। ইয়াৰ আগেয়ে দোতমাৰ থুলুংগাপুৰীত থকা বডোফা উপেন্দ্ৰ নাথ ব্ৰহ্মৰ সমাধিস্থলত মহিলাৰীয়ে শ্ৰদ্ধাঞ্জলি জনাব। তেওঁ দেৱৰগাঁৱত থকা বড়োলেণ্ড ছহিদ সমাধিস্থল আৰু বিচিটি বিধায়িনী পৰিষদীয় ভৱনৰ সন্মুখত থকা বডোফা প্ৰতিমূৰ্তিতো মাল্যাৰ্পণ কৰিব।

উল্লেখযোগ্য যে যোৱা ২৬ ছেপ্তেম্বৰত ঘোষণা কৰা বিটিচি পৰিষদীয় নিৰ্বাচনৰ ফলাফলত হাগ্ৰামা মহিলাৰী নেতৃত্বাধীন বিপিএফে ২৮ খন আসনেৰে নিৰংকুশ সংখ্যাগৰিষ্ঠতা লাভ কৰিছিল। বিটিচিৰ সৰ্বাংগীণ বিকাশৰ স্বাৰ্থত এন ডি এৰ অংশীদাৰী দল হ'ব বুলি শ্ৰীমহিলাৰীয়ে প্ৰকাশ কৰিছে। কিন্তু ইয়াৰ বাবে ইউ পি পি এলৰ সৈতে এন ডি এৰ সম্পৰ্ক থাকিব নালাগিব বুলি তেওঁ চৰ্ত আৰোপ কৰিছে। মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই এই সন্দৰ্ভত পৰৱৰ্তী সময়ত সিদ্ধান্ত গ্ৰহণ কৰা হ'ব বুলি প্ৰকাশ কৰিছে। এই চৰ্তই ৰাজ্যৰ ৰাজনৈতিক প্ৰেক্ষাপটত তাৎপৰ্যপূৰ্ণ ভূমিকা পালন কৰাৰ সম্ভাৱনা দেখা দিছে।

শ্ৰীমহিলাৰীয়ে পৰিষদ গঠনৰ পাছত ভূমিহীন বৈধ নাগৰিকক ভূমিপত্তা প্ৰদানত গুৰুত্ব আৰোপ কৰিব বুলিও উল্লেখ কৰে।

০০০০০০

গুৱাহাটী চিকিৎসা মহাবিদ্যালয়ে নতুন দিল্লীৰ কেন্দ্ৰীয় ফৰেনচিক পৰীক্ষাগাৰলৈ প্ৰেৰণ কৰা জুবিন গাৰ্গৰ ভিচেৰাৰ প্ৰতিবেদন অহা ১০ অক্টোবৰত লাভ কৰিব পৰা যাব আৰু ইয়াৰ পাছতেই মৰণোত্তৰ পৰীক্ষাৰ চূড়ান্ত

প্ৰতিবেদন চিকিৎসকে দাখিল কৰিব। এই প্ৰতিবেদনৰ পিছতহে শিল্পীগৰাকীৰ মৃত্যু সন্দৰ্ভত প্ৰকৃত তথ্য পোৱা যাব বুলি মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই প্ৰকাশ কৰিছে। কালি শিল্পীগৰাকীৰ বাসগৃহলৈ গৈ পত্নী গৰিমা গাৰ্গ আৰু পৰিয়ালক সাক্ষাৎ কৰাৰ পাছত মুখ্যমন্ত্ৰীয়ে সাংবাদিকৰ প্ৰশ্নৰ উত্তৰত এই বিষয়ে প্ৰকাশ কৰে। তেওঁ কয়, যে এগৰাকী অভিযুক্তইহে নিজৰ ভাষ্যত জুবিন গাৰ্গক বিহপান কৰোৱা হৈছিল বুলি সন্দেহ প্ৰকাশ কৰিছে যদিও এয়া আৰক্ষীৰ ভাষ্য নহয়। এই ভাষ্য প্ৰদানত কোনো উদ্দেশ্য থাকিব পাৰে বুলিও মুখ্যমন্ত্ৰীয়ে কয়। মুখ্যমন্ত্ৰীয়ে এই তদন্তৰ প্ৰক্ৰিয়া সম্পূৰ্ণ কৰাৰ বাবে ঘটনাৰ সময়ত উপস্থিত থকা ছিংগাপুৰৰ প্ৰবাসী অসমীয়াসকলক অসমলৈ আহিবৰ বাবে মানসিক হেঁচা প্ৰয়োগ কৰিবলৈও সকলোকে আহ্বান জনায়।

**বাইট (চি এম)**

জুবিন গাৰ্গৰ ৰহস্যজনক মৃত্যুৰ ঘটনা সন্দৰ্ভত ৰাজ্য চৰকাৰে কালি গুৱাহাটী উচ্চ ন্যায়ালয়ৰ ন্যায়াধীশ সৌমিত্ৰ শইকীয়াৰ অধ্যক্ষতাত এখন ন্যায়িক আয়োগ গঠন কৰে। এই আয়োগে ঘটনাটোৰ সকলো দিশ চালি-জাৰি চাবলৈ সাক্ষ্য প্ৰমাণ আৰু শপতনামা গ্ৰহণ কৰিব।

ইপিনে জি এম চি এইচত কৰা জুবিন গাৰ্গৰ দ্বিতীয়টো মৰণোত্তৰ পৰীক্ষাৰ প্ৰতিবেদন কালি আদালতত দাখিল কৰাৰ লগতে শিল্পীগৰাকীৰ পত্নী গৰিমা গাৰ্গক অৰ্পণ কৰা হৈছিল যদিও শ্ৰীমতী গাৰ্গে সেয়া আৰক্ষীক ওভতাই দিয়ে। তদন্ত নিয়াৰিকৈ সম্পন্ন হোৱাৰ স্বাৰ্থত এই প্ৰতিবেদন আৰক্ষী আৰু আদালতৰ ওচৰত থকা উচিত বুলি তেওঁ অনুভৱ কৰাৰ কথা সাংবাদিকৰ আগত ব্যক্ত কৰে। তেওঁ লগতে এই ঘটনাৰ ন্যায় বিচাৰ দাবী কৰে।

এছ আই টিয়ে কালি গৰিমা গাৰ্গ আৰু জুবিন গাৰ্গৰ ভগ্নী পামী বৰঠাকুৰৰ ভাষ্য গ্ৰহণ কৰে। তদন্তকাৰী বিষযা মৰমী দাসে তেওঁলোকৰ ভাষ্য গ্ৰহণ কৰে। এই ঘটনা সন্দৰ্ভত কালি এছ আই টিয়ে জুবিন গাৰ্গৰ সহশিল্পী ছুইটি দাস, সাংবাদিক প্ৰণয় বৰদলৈ, সাংবাদিক সাৰস্বত গোস্বামীৰো ভাষ্য গ্ৰহণ কৰে। এছ আই টিৰ তদন্তকাৰী বিষয়াই কালি জুবিন গাৰ্গৰ সম্পৰ্কীয় ভাতৃ সন্দীপন গাৰ্গক চতুৰ্থবাৰলৈ জেৰা কৰে।

ইতিমধ্যে এই ঘটনা সন্দৰ্ভত গ্ৰেপ্তাৰ কৰা শেখৰ জ্যোতি গোস্বামী, অমৃতপ্ৰভা মহন্তৰ লগতে মূল অভিযুক্ত শ্যামকানু মহন্ত আৰু সিদ্ধাৰ্থ শৰ্মাক বিশেষ তদন্তকাৰী গোটে সোধা-পোছা অব্যাহত ৰাখিছে। ইয়াৰ লগতে ছিংগাপুৰত জুবিন গাৰ্গৰ সৈতে একেলগে সাগৰলৈ যোৱা আছাম এছ'চিয়েছনৰ ১১ জন সদস্যক অহা ৬ অক্টোবৰৰ ভিতৰত হাজিৰ হ'বলৈ বিশেষ তদন্তকাৰী গোটে জাননী জাৰি কৰিছে।

০০০০০০

গুৱাহাটী মহানগৰীৰ বামুণীমৈদামৰ ৰে'লৰে কলনিত শাৰদীয় দুৰ্গা পূজাৰ বিজয়া দশমীৰ দিনা জুবিন গাৰ্গৰ গীত বজাবলৈ অনুৰোধ কৰাৰ বাবে এজন যুৱকক হত্যা কৰাৰ অভিযোগত আৰক্ষীয়ে ৮ জন লোকক গ্ৰেপ্তাৰ কৰিছে। চানমাৰি আৰক্ষীয়ে বামুণীমৈদামৰ ৰাজু দত্ত, গোপাল দাস, বসন্ত বাছফৰ, বিশাল চক্ৰৱৰ্তী, বিজু শীল, ৰমেন দাকুৱা, শুভেন্দ্ৰ শেখৰ ৰয় আৰু বৰুণ চক্ৰৱৰ্তীক গ্ৰেপ্তাৰ কৰাৰ পাছত আদালতত হাজিৰ কৰি কাৰাগাৰলৈ প্ৰেৰণ কৰে। অৱশ্যে এই ঘটনাৰ মূল অভিযুক্ত আন ১০ জন লোক এতিয়াও পলাতক অৱস্থাত আছে। উল্লেখযোগ্য যে ২ অক্টোবৰত দুৰ্গা পূজাৰ বিজয়া দশমীৰ দিনা অবিনাশ ৰজক নামৰ যুৱকজনে পূজাথলীত জুবিন গাৰ্গৰ গীত বজাবলৈ অনুৰোধ কৰাৰ পাছতে তেওঁ এই লোকসকলৰ আক্ৰমণৰ বলি হৈছিল। এই অভিযুক্তকেইজনৰ বিৰুদ্ধে আৰক্ষীয়ে ভাৰতীয় ন্যায় সংহিতাৰ ১০৩(২) নম্বৰ ধাৰাৰ অধীনত ২৩৯/২৫ নম্বৰত গোচৰ ৰুজু কৰি তদন্ত অব্যাহত ৰাখিছে।

০০০০০০

অৰুণোদয় আঁচনিৰ তৃতীয় পৰ্যায় ৰূপায়ণৰ প্ৰস্তুতি সন্দৰ্ভত মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই কালি ভিডিঅ' কনফাৰেন্সিং ব্যৱস্থাৰে বিটিআৰৰ জিলাসমূহৰ বাহিৰে ৰাজ্যৰ সকলো জিলাৰ আয়ুক্তৰ সৈতে আলোচনা কৰে। মুখ্যমন্ত্ৰীয়ে জিলা আয়ুক্তসকলক এই আঁচনিৰ ৰূপায়ণ সম্পৰ্কীয় সকলো কাম যথাযথভাৱে সম্পন্ন কৰিবলৈ নিৰ্দেশ দিয়ে। এই অনুষ্ঠানৰ মূল কাৰ্যসূচী ৭ অক্টোবৰত গুৱাহাটীত আয়োজন কৰা হ'ব আৰু সেইদিনাই ৩০ লাখ ৫৪ হাজাৰ

১৮৮ গৰাকী হিতাধিকাৰীৰ বেংক একাউণ্টযোগে এহেজাৰ ২৫০ টকাকৈ লাভ কৰিব। মুখ্যমন্ত্ৰীয়ে কালিৰ বৈঠকত প্ৰধানমন্ত্ৰী আৱাস যোজনা গ্ৰামীণৰ আৱাস প্লাছ প'ৰ্টেলত পঞ্জীয়ন প্ৰক্ৰিয়া পৰ্যালোচনা কৰি এই কাম সম্পূৰ্ণ কৰাৰ সময়সীমা নিৰ্ধাৰণ কৰে। তেওঁ অমৃত সৰোবৰ আঁচনিৰ কাম-কাজৰ অগ্ৰগতিও পৰ্যালোচনা কৰে।

০০০০০০

মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই কালি বিশ্বনাথৰ অসম-অৰুণাচল সীমান্তৰ পাভৈত পঞ্চম অসম কমাণ্ডো বেটেলিয়নৰ শিবিৰ মুকলি কৰে। ২০২২ চনত মুখ্যমন্ত্ৰীয়ে এই শিবিৰৰ আধাৰশিলা স্থাপন কৰিছিল। অসম আৰক্ষীৰ কামাণ্ডো বেটেলিয়নক অধিক সক্ৰিয় কৰিবলৈ ৰাজ্যৰ পাঁচখন জিলাত এনেধৰণৰ শিবিৰ স্থাপন কৰিবলৈ লোৱা সিদ্ধান্তমৰ্মে বিশ্বনাথ জিলাত এই শিবিৰ মুকলি কৰা হৈছে বুলি মুখ্যমন্ত্ৰীয়ে কয়। ৪০০ গৰাকী বেটেলিয়ন থাকিব পৰাকৈ এই অত্যাধুনিক শিবিৰটোত ভালেমান সা-সুবিধা ৰখা হৈছে। ২১৮ বিঘা ভূমিত ১৭৭ কোটি টকা ব্যয় সাপেক্ষে নিৰ্মাণ কৰা এই শিবিৰত হেলিপেড, পেৰেড গ্ৰাউণ্ড, সমূহীয়া কেন্দ্ৰ, কম্পিউটাৰ লেব, বিদ্যালয়, চিকিৎসালয়, শ্বুটিং ৰেঞ্জ আৰু অগ্নিনিৰ্বাপনৰ ব্যৱস্থা ৰখা হৈছে।

**বাইট (চি এম)**

ইয়াৰ আগেয়ে ড০ শৰ্মাই মুখ্যমন্ত্ৰীৰ মহিলা উদ্যমিতা অভিযানৰ অংশ হিচাপে বিশ্বনাথ জিলাৰ ৩৮ হাজাৰ হিতাধিকাৰিলৈ ১০ হাজাৰ টকাকৈ চেকযোগে বিতৰণ কৰে। বিশ্বনাথ সমষ্টিৰ প্ৰায় ৩৫ হাজাৰ গৰাকী আৰু বিহালী সমষ্টিৰ ৩ হাজাৰ গৰাকী গ্ৰামাঞ্চল আৰু নগৰ অঞ্চলৰ হিতাধিকাৰীক এই চেক বিতৰণ কৰা হয়। ৰাজ্য চৰকাৰে মহিলাসকলৰ উদ্যমিতা বিকাশৰ বাবে এই আঁচনিৰ জৰিয়তে ৩ হাজাৰ ৩৮ কোটি টকা ব্যয়ৰ লক্ষ্য লৈছে বুলি মুখ্যমন্ত্ৰীয়ে প্ৰকাশ কৰে।

০০০০০০

সামাজিক মাধ্যম অত্যন্ত শক্তিশালী আৰু ইতিবাচক তথা ৰুচিসন্মতভাৱে ব্যৱহাৰ কৰিলে ই আমাৰ মানসিকতাক প্ৰতিফলিত কৰাই নহয় সমাজতো ইতিবাচক প্ৰভাৱ বিস্তাৰ কৰে। আকাশবাণী গুৱাহাটীৰ দৃষ্টিপাতত সামাজিক মাধ্যমে অনা পৰিৱৰ্তন আৰু সমাজ সন্দৰ্ভত আলোচনাত অংশ লৈ কালি সমাজকৰ্মী তথা লেখিকা অৰ্চনা বৰঠাকুৰে এইকথা প্ৰকাশ কৰে। তেওঁ কয়, যে ইতিবাচকভাৱে ব্যৱহাৰ কৰিলে সামাজিক মাধ্যম জনমত গঠনৰ শক্তিশালী আহিলা হিচাপে পৰিগণিত হৈ উঠে।

**বাইট (অৰ্চনা)**

এই অনুষ্ঠানত অধিবক্তা নন্দিতা তালুকদাৰে সামাজিক মাধ্যম ব্যৱহাৰৰ ক্ষেত্ৰত সংযত হোৱাৰ লগতে আইনী দিশসমূহৰ প্ৰতি সচেতন হ'বলৈ আহ্বান জনায়। তেওঁ সামাজিক মাধ্যমত অপৰাধ নিয়ন্ত্ৰণৰ ক্ষেত্ৰত কঠোৰ আইন বলৱৎকৰণৰ পোষকতা কৰে।

**বাইট (নন্দিতা)**

০০০০০০

বৰ্তমান ৰাজ্যৰ এটা প্ৰধান সমস্যা হৈছে, বান্দৰ বিভীষিকা। উজনিৰ পৰা নামনিলৈ চহৰ-নগৰ সকলোতে বান্দৰৰ উপদ্ৰৱে জনতাক ত্ৰাহি মধুসুদন সোঁৰৰাইছে। কপিকূলে খেতি তহিলং কৰাৰ ফলস্বৰূপে জনতাৰ অৰ্থনীতিও বিপৰ্য্যস্ত হৈছে। বিভিন্ন সময়ত ৰাইজে চৰকাৰৰ ওচৰত আবেদন-নিবেদন কৰিছে যদিও এই পৰ্যন্ত সুফল লাভ কৰা নাই। এই সমস্যা সম্পৰ্কে আজি সন্ধিয়া ৭ বাজি ৪৫ মিনিটৰ সংবাদ চলন্তিকাত বিশেষভাৱে আলোকপাত কৰা হ'ব। অনুষ্ঠানত যোৰহাট, নগাঁও আৰু বজালী জিলাৰ ভুক্তভোগীয়ে মতামত ব্যক্ত কৰিব। অনুষ্ঠানটিৰ পৰিকল্পনা, প্ৰযোজনা আৰু উপস্থাপন ৰাজীৱ লোচন বৰঠাকুৰৰ।

০০০০০০

আই চি চি মহিলা এদিনীয়া ক্রিকেট বিশ্বকাপত কলম্বোৰ আৰ প্ৰেমাদাছা ষ্টেডিয়ামত অনুষ্ঠিত হ'বলগীয়া দ্বিতীয়খন খেলত আজি ভাৰত পাকিস্তানৰ বিৰুদ্ধে অৱতীৰ্ণ হব। ভাৰতীয় সময় অনুসৰি খেলখন বিয়লি ৩ বজাত আৰম্ভ হব। ডি এল এছ পদ্ধতিৰে শ্ৰীলংকাক ৫৯ ৰানত পৰাস্ত কৰি ভাৰতৰ মহিলা দলটোৱে প্ৰথমখন খেলত জয়লাভ কৰিছিল।

ভাৰতৰ বাবে আজিৰ খেলখন ছেমিফাইনেলৰ বাবে যোগ্যতা নিৰূপনকাৰী খেল হিচাপে পৰিগণিত হৈছে। কালি আৰ প্ৰেমদাছা ষ্টেডিয়ামত শ্ৰীলংকা আৰু অষ্ট্ৰেলিয়াৰ মাজত অনুষ্ঠিত খেলখন বৰষুণৰ বাবে অমীমাংসিত হৈ ৰয়।

০০০০০০

চলিত বছৰৰ ৯ মাহতে ভাৰতৰ শ্বেয়াৰ বজাৰৰ পৰা ১ লাখ ৯৮ হাজাৰ কোটি টকা বিদেশী বিনিয়োগকাৰীয়ে প্ৰত্যাহাৰ কৰিছে। এই বাতৰিক **অসমীয়া প্ৰতিদিন** কাকতে শীৰ্ষস্থান দিছে।

জুবিন গাৰ্গৰ মৃত্যু সন্দৰ্ভত মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মা আৰু বিজেপিয়ে ৰাজনীতি কৰা বুলি অসম জাতীয় পৰিষদ আৰু আমছুৱে সমালোচনা কৰাৰ বাতৰি **দৈনিক অগ্ৰদূত** কাকতে **পলিটিক্স নকৰিবা বন্ধু** শিৰোনামেৰে মুখ্য বাতৰিৰ স্থান দিছে।

জুবিন গাৰ্গৰ মৰোণোত্তৰ পৰীক্ষাৰ প্ৰতিবেদন পত্নী গৰিমা শইকীয়া গাৰ্গে ঘূৰাই দিয়াৰ বাতৰি **দি আছাম ট্ৰিবিউন কাকতে** প্ৰকাশ কৰিছে।

নতুন ছবি **ৰৈ ৰৈ বিনালেত** জুবিন গাৰ্গৰ নিজস্ব কণ্ঠ ব্যৱহাৰ কৰা হব বুলি ¯পৰিচালক ৰাজেশ ভূঞাই জানিবলৈ দিছে। তেওঁ কয়, যে জুবিন গাৰ্গৰ কণ্ঠৰেই ডাব কৰা হব আৰু কৃত্ৰিম বুদ্ধিমত্তাৰ সহায় লোৱা হব। **দৈনিক জনমভূমি** কাকতে এই বাতৰি প্ৰকাশ কৰিছে।

**দৈনিক অসম** কাকতে¯ জুবিন গাৰ্গৰ মৃত্যুৰ ঘটনাত নাম সাঙোৰ খোৱা শ্যামকানু মহন্তৰ বিৰুদ্ধে বিধি বলবতকাৰী সঞ্চালকালয়ে গোচৰ ৰুজু কৰাৰ দিশে আগবঢ়াৰ বাতৰিক প্ৰথম পৃষ্ঠাত গুৰুত্ব দিছে।

মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই কালি জুবিন গাৰ্গৰ সহধৰ্মিনী গৰিমা শইকীয়া গাৰ্গক সাক্ষাত কৰাৰ বাতৰি **আমাৰ অসম** কাকতে প্ৰকাশ কৰিছে।

আজি বিটিচি প্ৰধান হিচাপে হাগ্ৰামা মহিলাৰীয়ে শপত গ্ৰহণ কৰিব। ইতিমধ্যে কোকৰাঝাৰৰ বডোফা নগৰ সজাই পৰাই তোলা হৈছে। এয়া **অসমীয়া খবৰ** আৰু **দ্য ছেন্টিনেল কাকতৰ বাতৰি।**

নুমলীগড়-গহপুৰ সংযোগী ব্ৰহ্মপুত্ৰ পথ সুৰংগ প্ৰকল্পৰ বিশদ প্ৰতিবেদন মোদী কেবিনেটত অনুমোদনৰ বাবে সাজু কৰা হৈছে। **নিয়মীয়া বাৰ্তা** কাকতে ৬ হাজাৰ কোটিৰে হব ব্ৰহ্মপুত্ৰ ৰোড টানেল শিৰোনামেৰে এই বাতৰি প্ৰকাশ কৰিছে।

এতিয়া আহক পুনৰ বাতৰিৰ মাজলৈ উভতি যাওঁ....।

০০০০০০

স্থানীয় বতৰৰ আগলি বতৰা অনুসৰি অহা ২৪ ঘণ্টাত গুৱাহাটী আৰু ইয়াৰ উপকণ্ঠ অঞ্চলত বতৰ ডাৱৰীয়া হৈ থকাৰ লগতে বিজুলী-ঢেৰেকনিৰে দুই-এজাক বৰষুণ হোৱাৰ সম্ভাৱনা আছে। আজি গুৱাহাটীৰ তাপমাত্ৰা সৰ্বোচ্চ ৩৩ ডিগ্ৰী ছেলছিয়াছ আৰু সৰ্বনিম্ন ২৫ ডিগ্ৰী ছেলছিয়াছ হ'ব পাৰে বুলি বৰঝাৰৰ আঞ্চলিক বতৰ বিজ্ঞান কেন্দ্ৰই আগজাননী দিছে।

এই সময়ছোৱাত অৰুণাচল প্ৰদেশ, অসম, মণিপুৰ, মিজোৰাম, ত্ৰিপুৰা, নাগালেণ্ড আৰু মেঘালয়ৰ ঠাই বিশেষে পাতলীয়াৰ পৰা মজলীয়া বৰষুণ হোৱাৰ সম্ভাৱনা আছে বুলি বতৰ বিজ্ঞান কেন্দ্ৰই আগলি বতৰা দিছে।

০০০০০০

সমাপ্ত